জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩১/২০২১**

# ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত ক'ভিড-১৯ৰ টিকাকৰণ অভিযানৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক'ভিড-১৯ ভেকচিনৰ বাকচ স্বাস্থ্য বিভাগৰ বিষয়া আৰু কৰ্মচাৰীৰ হাতত অৰ্পণ কৰি এই টিকাকৰণ অভিযানৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক'ভিড-১৯ টিকাকৰণৰ লগত জড়িত থকা চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ সৈতে এই বিষয়ত মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে প্ৰথম পালি এই ভেকচিন লোৱা সময়ত উপস্থিত থকাৰ উপৰি এই ভেকচিন পৰ্যায় ক্ৰমে লোৱা ডাঃ আৰ পি মেধি, ডাঃ গিৰীণ গগৈ, ডাঃ শান্তনু লহকৰ আৰু ডাঃ হেমচন্দ্ৰ কাকতিৰ সৈতেও মত-বিনিময় কৰে।

ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজি ভাৰতবৰ্ষৰ বাবে অত্যন্ত গৌৰৱৰ দিন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত সকলোকে নিষ্ঠাসহকাৰে বৰঙনি আগবঢ়াবলৈ আহ্বান জনাইছে। সকলো দিশত আত্মনিৰ্ভৰহোৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে জনোৱা আহ্বানৰ দিশত সমগ্ৰ ভাৰতবাসীয়ে আজি এখোজ আগবাঢ়ি যাবলৈ সক্ষম হ'ল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত আজি ভাৰতীয় বৈজ্ঞানিকে এই ক'ভিডৰ ভেকচিন আবিষ্কাৰ কৰিবলৈ সক্ষম হৈছে আৰু সেই ভেকচিন প্ৰদানৰ কাম আজি সমগ্ৰ ভাৰতবৰ্ষতে শুভাৰম্ভ হৈছে। মুখ্যমন্ত্ৰীয়ে এই বলিষ্ঠ পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ জনসাধাৰণৰ হৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আজি অসমতো স্বাস্থ্য বিভাগে যুগুতোৱা পৰিকল্পনা অনুসৰি টিকাকৰণৰ কাম শুভাৰম্ভ কৰা হৈছে। অসমৰ জনসাধাৰণে এই সমগ্ৰ পদক্ষেপটোলৈ আন্তৰিকতাৰে সহায়-সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। আজি ৰাজ্যখনৰ ৩৩ খন জিলাত ৭ খন চিকিৎসা মহাবিদ্যালয় আৰু ২৪ খন জিলা হাস্পতালৰ পৰা আৰম্ভ কৰি ৬৫ কেন্দ্ৰত এই ভেকচিন প্ৰদানৰ কাম আৰম্ভ হৈছে। প্ৰথম পৰ্যায়ত হেলথ লাইন ৱৰ্কাৰ আৰু ফ্ৰন্টলাইন ৱৰ্কাৰক এই টিকাকৰণ কাৰ্যসূচীৰে সামৰি লোৱা হ'ব। আজি অসম চিকিৎসা মহাবিদ্যালয়ৰ পাঁচ গৰাকী জ্যেষ্ঠ চিকিৎসকে এই ভেকচিন লৈছে। এই কামৰ আন্তৰিকতাৰে শুভাৰম্ভ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে তেখেতসকললৈ আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি কাৰ্যসূচীত অংশ গ্ৰহণ কৰা চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলকো আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১৬/০১/২০২১**